উত্তৰ :- অসমীয়া লিপিটো পূব-ভাৰতৰ এটা লেখত ল'বলগীয়া লিপি। বহু পণ্ডিতৰ যুক্তি তথা চিন্তা-চৰ্চাৰ এক দীঘলীয়া ইতিহাসৰ মাজেৰে অসমীয়া লিপিটোৱে বৰ্তমানৰ ৰূপ পাইছে। অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে হোৱা আলোচনাৰ বেছিভাগতে অসমীয়া লিপিটোক ভাৰতৰ প্ৰাচীন লিপি ব্ৰাহ্মীৰ পৰিৱৰ্তিত ৰূপ কুটিল লিপিৰ পৰা অহা বুলি ক'বলৈ বিচৰা হৈছে। অসমীয়া লিপিৰ বিষয়ে লিখা 'অসমীয়া প্ৰাচীন লিপি' নামৰ গ্ৰন্থখনত সৰ্বেশ্বৰ কটকীয়ে এইদৰে লিখিছে; "ব্ৰাহ্মী-লিপি প্ৰথম, কুষাণ লিপি- দ্বিতীয়, গুপ্ত-লিপি তৃতীয়, আৰু এই গুপ্ত-লিপিৰ পূব ভাৰতীয় কুটিল-লিপি চতুৰ্থ, আৰু এই কুটিল-লিপিৰ পৰিৱৰ্তন আৰু সংমিশ্ৰণ হৈ হোৱা বঙ্গ-অসম-লিপি বা প্ৰাচীন অসমীয়া লিপিয়ে পূব ভাৰতীয় ভাষাৰ বংশ-লতিকাত পঞ্চম স্থান অধিকাৰ কৰিছে বুলি স্থিৰ কৰিব পাৰি, আৰু এয়ে অসমীয়া লিপিৰ উৎপত্তি।" কিন্তু সাম্প্ৰতিক লিপি বিশেষজ্ঞ সকলে এই মতৰ বিৰোধিতা কৰে। প্ৰাঞ্জলে যুক্তিসহ এই মত খণ্ডন কৰি কৈছে যে কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ হোৱা নাই।

সাম্প্ৰতিক লিপি বিশেষজ্ঞ সকলে অসমীয়া লিপিৰ উদ্ভৱ সম্পৰ্কে দাঙি ধৰা যুক্তিপূৰ্ণ বিশ্লেষণ সম্পৰ্কে তলত আলোচনা কৰা হ'ল —

অসমীয়া লিপিৰ আদি-ৰূপ বিচাৰিলে শতিকাৰ গুপ্ত বৰ্মাৰ উমাচল শিলালিপিৰ মাজত লগা যায়। উমাচল ~~শিল~~ শিলা

আগৰ আৰু প্ৰথম শিলালিপি হ'ল নগাজেৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপি। এই বিষয়ে ড° মুকুন্দ মাধৱ শৰ্মাই 'নগাজেৰী-খনিকৰ-গাঁও-প্ৰস্তৰ খণ্ড-লিপি' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে যে — "সমুদ্ৰগুপ্তৰ প্ৰয়াগ-শিলাস্তম্ভ-লিপি আদিৰ দৰে হয়তো 'ৰ' আৰু 'ৱ' আখৰৰ পাৰ্থক্য ৰখা নাই, আনহাতে উমাচল লিপিৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী সকলো শিলা-লিপি আৰু তাম্ৰ-লিপিতে অধিক পৰিমাণে স্থানীয় প্ৰাকৃত ভাষাৰ প্ৰভাৱ পৰাতে নাই আৰু 'ৰ' আৰু 'ৱ' আখৰৰ কোনো পাৰ্থক্য ৰখা নাই, ইয়াক সংস্কৃত ভাষাত লিখিত প্ৰতিয়মানতে আৱিষ্কৃত অসমৰ প্ৰাচীনতম লিপি বুলি ভাবিবৰ অৱকাশ আছে।"

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী কালত প্ৰাপ্ত বিভিন্ন শিলালেখ আৰু তাম্ৰ ফলিৰ লিপিৰ অধ্যয়নে এইটো স্পষ্ট ৰূপে দেখুৱাই যে অসমীয়া লিপিটো ~~অসমৰ~~ অসমৰ শিলালেখ আৰু তাম্ৰ ফলিবোৰত ব্যৱহৃত লিপিৰ বিকাশপ্ৰাপ্ত এটা ৰূপ। এই লিপিৰ মূল ব্ৰাহ্মী আৰু তাৰ পৰৱৰ্তী গুপ্ত লিপি। ইয়াক কুটিল লিপিৰ লগত সাঙোৰাৰ যুক্তি বিশেষ নাই। কুটিল লিপিৰ জন্ম কাল ইবা হয় ষষ্ঠ শতিকাৰ পৰা; কিন্তু পঞ্চম শতিকাৰ পৰাই অসমত শিলালিপিৰ নিদৰ্শন বিদ্যমান। উমাচল শিলালিপি আৰু নগাজেৰী খনিকৰ গাঁৱৰ লিপিত পোৱা আখৰবোৰ গুপ্ত লিপিৰ আখৰবোৰৰ সৈতে ৰিজাই চালে এই শিলালিপি দুখনৰ প্ৰায়বোৰ আখৰেই গুপ্তলিপিত পোৱা ~~আখৰ~~ আখৰবোৰৰ সৈতে একেটা ৰূপত পোৱা যায়। শিলালেখ দুখনত ই, ক, খ, গ, চ, জ, ড, ণ, ত, দ, ধ, ন, প, ব, ভ, ম, য, ৰ, ল, ৱ, শ, ষ, স, হ আৰু কা, জা, পা, ৰি আদিৰ ৰূপ

Scanned by TapScanner

গুপ্ত আখৰবোৰে দেখে এক।

উমাচলৰ শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি দুয়োৰ মাজত সপ্তম শতিকাৰ ভাস্কৰ বৰ্মাৰ তামৰ ফলিৰ আখৰবোৰ চালে সেইবোৰত ব্ৰাহ্মী আৰু গুপ্ত লিপিৰ আখৰৰ পৰম্পৰা ৰক্ষিত হোৱা দেখা যায়। ভাস্কৰ বৰ্মাৰ তাম্ৰশাসন কেইখনলৈ দুবিৰ তাম্ৰশাসন আৰু নিধনপুৰ তাম্ৰশাসনৰ পৰা মুকলিয়া হৈ পৰিছে। বিশেষকৈ অ, ক, ত, ব, য, ৰ ল আদি আখৰৰ ক্ষেত্ৰত এই দুই তাম্ৰশাসনৰ পাৰ্থক্য প্ৰকট হয়। নিধনপুৰ তাম্ৰশাসনৰ ক, ব, ল আদি আখৰবোৰ একেবাৰে আধুনিক গঢ়ৰ।

ব্ৰাহ্মী আৰু গুপ্ত আখৰৰ নিচিনা ভাস্কৰবৰ্মাৰ শিলালিপিত কেৱল এটা আখৰৰ শেষৰ অংশ সাধাৰণ ৰূপতকৈ বেছি তললৈ নি উ-কাৰান্ত কৰা ৰীতি সংৰক্ষিত হৈছে। সপ্তম শতিকাৰ পৰা নৱম শতিকালৈ গতি কৰিলে তাম্ৰ শাসনবোৰৰ ~~আখৰৰ~~ আখৰৰ এটা আমূল পৰিৱৰ্তনৰ চিন ধৰা দৃষ্টিগোচৰ হয়। নৱম শতিকা আৰু দশম শতিকাৰ সময়ছোৱাত তামৰ ফলিৰ আখৰবোৰে আধুনিক অসমীয়া আখৰৰ গঢ় লবলৈ উপক্ৰম কৰে। গতিকে খ্ৰীষ্টীয় নৱম-দশম শতিকাত অসমীয়া লিপিয়ে এটা মুকলিয়া ৰূপ লয় বুলি নিঃসন্দেহে ক'ব পাৰি।

গতিকে অসমীয়া লিপিৰ মূল হ'ল ব্ৰাহ্মী লিপি আৰু তাৰ পৰৱৰ্তী গুপ্ত লিপি। কুটিল লিপিৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। ব্ৰাহ্মীৰ পৰৱৰ্তী গুপ্ত লিপিৰ পৰা পুৰণি অসমৰ শিলালেখ আৰু তামৰ ফলিবোৰৰ বিকাশপ্ৰাপ্ত ৰূপৰ মাজেৰে হৈ আধুনিক গঢ় লৈছে।